بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## ছুলাহ হুদায়বিয়াৰ প্ৰেক্ষাপটত আঁহজৰত (ছাঃ)ৰ জীৱনীৰ বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৯ নৱেম্বৰ ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ـ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ ـ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ـ الرَّحْمٰنِ الرَّحِيْمِ ـ مٰلِكِ يَوْمِ الدِّيْنِ ـ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ ـ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ـ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ـ

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে ছুলাহ হুদায়বিয়াৰ ঘটনাৰ কথা উল্লেখ হৈ আছে। এই বিষয়ে বিশদভাৱে বৰ্ণনা কৰিম। এই উপলক্ষে চাহাবা সকলক পহৰাৰ ডিউটি লগোৱা হৈছিল। এই বিষয়ে উল্লেখ পোৱা যায় যে ৰছুলুল্লাহ (ছাঃ)য়ে নিজৰ চাহাবা সকলক ৰাতি পহৰাৰ নিৰ্দেশ দিছিল, প্ৰতিদিনে তিনি জনকৈ পহৰা দি থাকিছিল।

এইটোও উল্লেখ পোৱা যায় যে মুছলমান সকলৰ পৰা কিছুমান মানুহে ৰছুলুল্লাহ (ছাঃ)ৰ পৰা অনুমতি লৈ মক্কাত প্ৰৱেশ কৰিছিল। সিহঁতে হজৰত উছমান (ৰাঃ)ৰ সুৰক্ষাৰ অধীনত মক্কাত প্ৰৱেশ কৰিছিল, এইটোও বৰ্ণনা পোৱা যায় যে গোপন ভাৱে প্ৰৱেশ কৰিছিল। যেতিয়া এইসকল মুছলমানৰ খবৰ কুৰাইছ সকলে জানিব পাৰে তেতিয়া সিহঁতক বন্দী কৰে, কুৰাইছ সকলে নিজৰ লগৰীয়াসকলৰো গ্ৰেপ্তাৰৰ খবৰ পাইছিল, যিসকলক হজৰত মহম্মদ বিন মাছলামা (ৰাঃ)য়ে বাধা দি ৰাখিছিল। তেতিয়া কুৰাইছৰ আৰু সশস্ত্ৰ দলে মুছলমান সকলৰ ওপৰত আক্ৰমণ কৰিলে, সিহঁতে তীৰ আৰু পাথৰ দলিয়াই থাকিল। মুশ্বৰিক সকলৰ বাৰ অশ্বাৰোহীক মুছলমানসকলে বন্দী কৰিলে, মুছলমান সকলৰ মাজৰ পৰা হজৰত ইবনে জুনায়িম (ৰাঃ) শ্বহীদ হৈ যায়, কুৰাইছ সকলে তেওঁক কাঁড় নিক্ষেপ কৰি হত্যা কৰি পেলাইছিল।

তাৰ পিছত কুৰাইছ সকলে এটা দল আঁহজৰত (ছাঃ)ৰ ওচৰলৈ প্ৰেৰণ কৰে যাৰ মাজত ছুহেল বিন আমৰুও আছিল, আঁহজৰত (ছাঃ)য়ে যেতিয়া দূৰৰ পৰা তেওঁক দেখা পাইছিল তেতিয়া কৈছিল যে

ছুহেলৰ জৰিয়তে তোমালোকৰ কাম ছহল অৰ্থাৎ সহজ হৈ পৰিল। তেওঁ ৰছুলুল্লাহ (ছাঃ)ৰ কাষচাপি কলে যে আপোনাৰ চাহাবা অৰ্থাৎ হজৰত উছমান (ৰাঃ) আৰু দহজন চাহাবাক গ্ৰেপ্তাৰ কৰা আৰু আমাৰ কিছু  লোকসকল আপোনাৰ সৈতে মোকাবিলা কৰাৰ যিটো বিষয়, ইয়াত আমাৰ কোনো যুক্তিবাদী ব্যক্তি জড়িত নহয়।
হয়, আমি গম পাই বৰ বিচলিত হৈছিলো, আমি এই বিষয়ে কোনো সংবাদ পোৱা নাছিলো। সেইটো আমাৰ মাজৰ দুষ্ট লোকৰ কাম আছিল। গতিকে আমাৰ মানুহক আপুনি দুবাৰ গ্ৰেপ্তাৰ কৰা লোকসকলক আমাক উভতাই পঠাওক। তেখেত (ছাঃ)য়ে কয় যে মই তেওঁলোকক তেতিয়ালৈকে উভতাই পঠিৱাব নোৱাৰো যেতিয়ালৈকে তোমালোকে আমাৰ লোকসকলক এৰি নিদিব। এই বিষয়ে সকলোৱে কলে যে বাৰু, আমি সিহঁতক এৰি দিম। ইয়াৰ পিছত হজৰত উছমান (ৰাঃ)ৰ লগতে আন দহজন চাহাবাকো এৰি দিলে, তেতিয়া আঁহজৰত (ছাঃ)য়েও সিহঁতৰ লোকসকলক এৰি দিলে।

যিদৰে উল্লেখ কৰা হৈছে যে হজৰত উছমান (ৰাঃ)ক কাফিৰসকলে গ্ৰেপ্তাৰ কৰিছিল, এই কথা গম পোৱাৰ পিছত তেখেত (ছাঃ)য়ে চাহাবা সকলৰ পৰা বয়াতৰ প্ৰতিজ্ঞা লৈছিল যাক বায়াতে ৰিজুৱান বুলি কোৱা হয়। যেতিয়া কুৰাইশ সকলে এই বিষয়ে জানিব পাৰিলে তেতিয়া সিহঁতে অতিশয় ভয় পালে, আৰু তেওঁলোকৰ জ্ঞানীসকলে পৰামৰ্শ দিলে যে শান্তি স্থাপন কৰাটো উপযুক্ত হ'ব। (কুৰাইছ সকলে মুছলমান কৈ আছে-অনুবাদক) অৰ্থাৎ এইদৰে শান্তি স্থাপন কৰা হওঁক যে এই বছৰ আপোনালোকে ওভতি যাওঁক, অহা বছৰ আহি তিনি দিন মক্কাত অৱস্থান কৰিব পাৰে, তেখেত (ছাঃ)য়ে কেৱল এটা বাহিনী য'ত প্ৰয়োজনীয় বস্তু-বাহানি থাকিব আৰু খাপৰ ভিতৰত এটা তৰোৱাল লৈ আহিব পাৰিব।

ছুলাহ হুদায়বিয়াহ সন্দৰ্ভত হজৰত চাহাবজাদা মিৰ্জা বশিৰ আহমদ (ৰাঃ)য়ে এইদৰে লিখিছে যে ছুহেল আহিয়ে আঁহজৰত (ছাঃ)ক ক'ব ধৰিলে যে আহঁক, দীৰ্ঘ আলোচনা এৰি দিয়ক; আমি চুক্তিৰ বাবে সাজু। তেখেত (ছাঃ)য়ে কলে, আমিও সাজু আছো। এই বক্তব্যৰ পিছত তেখেত (ছাঃ)য়ে নিজৰ সম্পাদক হজৰত আলি (ৰাঃ)ক মাত দিলে, যিহেতু ইতিমধ্যে চৰ্ত সমূহৰ ওপৰত সাধাৰণ আলোচনা হৈছিল, বিস্তাৰিত বিৱৰণৰ সৈতে সিদ্ধান্তত উপনীত হৈছিল, সেই কাৰণে লিখকজন অহাৰ লগে লগে তেখেত (ছাঃ)য়ে তেওঁক কলে যে লিখা, বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিমৰ সৈতে আৰম্ভ কৰা; ছুহেল শান্তি স্থাপন কৰাৰ বাবে সাজু আছিল, কিন্তু তেওঁ কুৰাইছ সকলৰ অধিকাৰ আৰু মক্কাবাসীৰ সন্মান ৰক্ষাৰ্থে অতি সাৱধান হ'ব বিচাৰিছিল। তেওঁ আৰবৰ  প্ৰথা অনুসৰি باسمك اللهم লিখাৰ বাবে জোৰ দিয়ে, আনফালে মুছলমান সকলৰ বাবে জাতি আৰু ধৰ্মীয় সন্মানৰ প্ৰশ্নও আহিছিল, তেওঁলোকে এই পৰিৱৰ্তন দেখি লগে লগে স্তম্ভিত হৈ কলে যে আমি بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ .লিখিম। আঁহজৰত (ছাঃ)য়ে মুছলমান সকলক নীৰৱ কৰি কলে যে ইয়াত কোনো আপত্তি নাই ছুহেলে কোৱাৰ দৰে লিখা। তাৰ পিছত নবী কৰিম (ছাঃ)য়ে কলে যে মহম্মদ ৰছুলুল্লাহ (ছাঃ) চুক্তিত লিখা, ছুহেলে কলে যে ৰছুলুল্লাহ শব্দ আমি লিখিব নিদিম। আঁহজৰত (ছাঃ)য়ে কলে যে আপোনালোকে স্বীকাৰ কৰক বা নকৰক মই খোদাৰ ৰছুল হওঁ আনফালে মই আব্দুল্লাহৰ ল'ৰা হওঁ; সেই কাৰণে সেইটোৱে লিখা। তেতিয়া হজৰত আলি (ৰাঃ)য়ে নিজৰ ঈমানৰ উৎকৰ্ষতা দেখুৱালে যে তেখেত (ৰাঃ)য়ে আঁহজৰত (ছাঃ)ৰ নামৰ আগত ৰছুলুল্লাহ শব্দটো মচি পেলোৱাটো অপছন্দ কৰিলে, পিছত আঁহজৰত (ছাঃ)য়ে নিজেই সেই শব্দ মচি দিলে।

এই উপলক্ষে হজৰত উমৰ (ৰাঃ)ৰ ঈমানৰ উৎসাহৰ কথাও উল্লেখ কৰা হৈছে। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এই ঘটনাক হজৰত আবু বক্কৰ (ৰাঃ)ৰ বৈশিষ্টৰ ৰূপত বৰ্ণনা কৰিছে যে এবাৰ ৰছুলে কৰিম (ছাঃ)চাহাবা সকলক সম্বোধন কৰি কলে যে মই তোমালোকক বহু আদেশ দিছিলো, কিন্তু মই তোমালোকৰ দৰে নিষ্ঠাবান সকলৰ মাজতো কেতিয়াবা কেতিয়াবা প্ৰতিবাদৰ মনোভাৱ দেখিছিলো, কিন্তু আবু বক্কৰৰ মাজত এনে আত্মা কেতিয়াও দেখা নাই।

ছুলাহ হুদায়বিয়াৰ চুক্তিখনৰ বিষয়ে হজৰত চাহাবজাদা হজৰত মিৰ্জা বশিৰ আহমদ (ৰাঃ)য়ে লিখিছে যে বহু বিতৰ্কৰ পিছত এই চুক্তি সম্পূৰ্ণ হ'ল, আৰু প্ৰায় প্ৰতিটো বিষয়তে আঁহজৰত (ছাঃ)য়ে কুৰাইছৰ দাবীৰ সন্মতি স্বীকাৰ কৰিলে আৰু খোদাৰ প্ৰত্যাশা অনুসৰি নিজৰ অঙ্গীকাৰক সহানুভূতিৰ সৈতে পালন কৰিলে। এই চুক্তিৰ দুটা কপি কৰা হৈছিল, তাতে দুয়োপক্ষৰ কেইবাজনো গণ্যমান্য ব্যক্তিয়ে স্বাক্ষৰ কৰিছিল। চুক্তি সম্পূৰ্ণ হোৱাৰ পিছত ছুহেল বিন আমৰুয়ে চুক্তিৰ এটা প্ৰতিলিপি লগত লৈ মক্কাৰ ফালে উভতি যায়, দ্বিতীয় প্ৰতিলিপি তেখেত (ছাঃ)ৰ হাতত থাকিল।

চাহাবাসকলৰ উদ্বিগ্নৰ কথা উল্লেখ পোৱা যায়, যেতিয়া এই চুক্তিৰ কাম সম্পন্ন হ'ল তেতিয়া তেখেত (ছাঃ)য়ে চাহাবা সকলক কলে যে উঠা ! নিজৰ উটবোৰ জবাহ কৰা, তাৰ পিছত তোমালোকে মূৰ খূৰাবা। তেওঁলোকৰ মাজৰ পৰা এজনও থিয় নহ'ল যেতিয়ালৈকে তেখেত (ছাঃ)য়ে এটা কথা তিনিবাৰ নকলে, আঁহজৰত (ছাঃ)য়ে হৃদয়ত আঘাত পালে, তেখেত (ছাঃ)য়ে নিস্তব্ধ হৈ নিজৰ তম্বুৰ ভিতৰলৈ সোমাই গ'ল। তম্বুৰ ভিতৰত তেওঁৰ সন্মানীয়া হজৰত উম্মে ছালমা যি এগৰাকী অতি বিচক্ষণ মহিলা আছিল এই দৃশ্য চাই আছিল। তাই নিজৰ প্ৰভাৱশালী আৰু প্ৰিয় স্বামীক চিন্তিত অৱস্থাত দেখি কৰুণ আৰু মৰমেৰে কলে যে হে আল্লাহৰ ৰছুল ! চিন্তা নকৰিব, আপোনাৰ চাহাবাসকল খোদাৰ কৃপাত অবাধ্য নহয়, কিন্তু এই শান্তিৰ চৰ্তাৱলীয়ে সিহঁতক শোকত উন্মাদ কৰি তুলিছে। গতিকে মোৰ পৰামৰ্শ হ'ল আপুনি তেওঁলোকক একো নক'ব, মনে মনে ওলাই গৈ আপোনাৰ কোৰবাণীৰ জন্তুবোৰ জবাহ কৰক আৰু নিজৰ মূৰখন খূৰাওক, আপোনালোকৰ চাহাবাসকলে নিশ্চয় আপোনাৰ অনুসৰণ কৰিব। তেখেত (ছাঃ)য়ে এই প্ৰস্তাৱ পছন্দ কৰি কাৰ্যক্ষেত্ৰলৈ আনিলে।

বৰ্ণনাত পোৱা যায় যে তেখেত (ছাঃ)য়ে ১৯ দিন হুদায়বিয়াত অৱস্থান কৰিলে আৰু কোৱা হয় যে বিছ ৰাতি অৱস্থান কৰিছে। উভতি অহাৰ যাত্ৰাত যেতিয়া উছফানৰ কাষতীয়া কুৰাউল গামিম নামৰ ঠাইত গৈ পায় ৰাতিৰ সময় আছিল, ঘোষণা কৰি চাহাবাসকলক একত্ৰিত কৰি কলে যে আজি ৰাতি মোৰ ওপৰত এটা ছুৰা অৱতীৰ্ণ হৈছে (ছুৰা ফাতাহ) যি মোৰ বাবে পৃথিৱীৰ আন সকলোতকৈ বেছি প্ৰিয়। যেতিয়া তেখেত (ছাঃ)য়ে ছুৰা ফাতাহৰ দুইৰ পৰা চাৰি আৰু আঠাইশ আয়াত চাহাবা সকলক শুনোৱা হয়, যিহেতু এতিয়াও কিছুমান চাহাবা সকলৰ হৃদয়ত ছুলাহ হুদায়বিয়াৰ তিক্ততা বাকী আছিল, তেওঁলোকে আচৰিত হৈছিল যে আমি আপাত দৃষ্টিত বিফল হৈ উভতি গৈ আছো আৰু খোদা তা'লাই আমাক বিজয়ৰ শুভ সংবাদ প্ৰদান কৰি আছে, তাৰ মাজৰ কিছুমান চাহাবা অতি সোনকালে কৈ উঠিল যে এইটোৱে বিজয় নে যে আমি বায়তুল্লাহ প্ৰদিক্ষণৰ পৰা বঞ্চিত হৈ উভতি গৈ আছো ? যেতিয়া আঁহজৰত (ছাঃ)য়ে এই কথা গম পালে তেতিয়া খং প্ৰকাশ কৰি উৎসাহৰ সৈতে সংক্ষিপ্ত বক্তব্য প্ৰদান কৰি কলে যে এইটো অযুক্তিকৰ আপত্তি; কিয়নো কুৰাইছসকলে আমাৰ বিৰুদ্ধে যুদ্ধৰ ময়দানত নামি আহিছিল, সিহঁতে নিজেই যুদ্ধ বন্ধ কৰি শান্তিৰ চুক্তি কৰিলে আৰু অহা বছৰ আমাৰ বাবে মক্কাৰ দুৱাৰ

উন্মোচন কৰি দিয়াৰ প্ৰতিজ্ঞা কৰিলে, আৰু আমি শান্তিৰ সৈতে মক্কাবাসীৰ ষড়যন্ত্ৰৰ পৰা সুৰক্ষিত হৈ ভৱিষ্যতে বিজয়ৰ শুভ সংবাদ পাই উভতি গৈ আছো। এইটো এটা মহান বিজয়। তোমালোকে এই দৃশ্যক পাহৰি গ'লা যে কুৰাইছ সকলে উহুদ আৰু আহজাবৰ যুদ্ধত তোমালোকৰ বিৰুদ্ধে কেনেকৈ যুঁজিবলৈ আহিছিল? এই ভূমি উদাৰ হোৱা সত্বেও তোমালোকৰ ওপৰত সংকীৰ্ণ হৈ পৰিল আৰু তোমালোকৰ চকু শিলেৰে আঘাত কৰা হৈছিল আৰু প্ৰাণ মুখলৈ আহি গৈছিল, আজি সেই কুৰাইছ সকলে তোমালোকৰ লগত শান্তি আৰু নিৰাপত্তাৰ চুক্তি কৰি আছে। চাহাবাসকলে কলে যে হে আল্লাহৰ ৰছুল ! আমি বুজিব পাৰিছো আমি বুজি পাইছো, যলৈ আপোনাৰ দৃষ্টি গৈ পায় তালৈ আমাৰ দৃষ্টি গৈ নাপায়।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে হুদায়বিয়াৰ কাহিনীক খোদা তা'লাই মহান বিজয় বুলি নাম ৰাখি কৈছে যে إِنَّا فَتَحْنَا لَكَ فَتْحًا مُّبِينًا সেই বিজয় বেছিভাগ চাহাবা সকলৰ পৰা গুপ্ত আছিল বৰং কিছুমান কপটাচাৰীয়ে ধৰ্মত্যাগ কৰিলে, সেইটো বাস্তৱতে আছিল মহান বিজয় ইয়াৰ ৰহস্য আছিল তাত্ত্বিক আৰু গভীৰ।

আল্লামা বিলাজৰি (ৰহঃ)য়ে লিখিছে যে শান্তিৰ চুক্তিৰ পৰা বহু ফলাফল প্ৰকাশ পাইছিল, অৱশেষত মক্কা বিজয় হৈছিল, মক্কাবাসীয়ে ইছলাম গ্ৰহণ কৰিলে, মানুহ দলে দলে ইছলাম ধৰ্ম গ্ৰহণ কৰিলে, হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে ছুলাহ হুদায়বিয়াৰ কল্যাণময় ফলৰ মাজত এটা এয়াও যে লোকসকল তেখেত (ছাঃ)ৰ কাষত অহাৰ সুযোগ পাইছিল সিহঁতে তেখেত (ছাঃ)ৰ কথাবোৰ শুনিলে যাৰ ফলত শতাধিক লোক মুছলমান হৈ গৈছিল।

শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে বাকী বৰ্ণনা ইনশা আল্লাহ আগলৈ চলি থাকিব।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَن یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ أَنْ لَّآ اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ. عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR [aba] 29 NOV 2024

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................
..........................................................................................................
..........................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB